# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-03-2024

**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ইণ্ডিয়াজ টেকেড ঃ চিপছ ফৰ বিকশিত ভাৰত কাৰ্যসূচীত অংশগ্ৰহণ কৰিব আৰু প্ৰায় এক লাখ ২৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ ৩ টা চেমিকনডাক্টৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

২। ২০১৪ চনৰ পাছত অসমত প্ৰৱেশ কৰা কোনো ব্যক্তিয়েই নাগৰিকত্ব লাভ নকৰে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি স্পষ্ট কৰি দিছে ।

৩। কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে আজি চণ্ডিগড়ত খেলো ইণ্ডিয়া টেলেণ্ট আইদেনটিফিকেশ্বন কীৰ্তি আঁচনিৰ শুভাৰম্ভ কৰে।

৪। হাৰিয়ানা বিজেপিৰ সভাপতি নায়ব সিঙে ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপ শপতগ্ৰহণ কৰিছে। *আৰু*

৫। মুম্বাই ইণ্ডিয়ানছ কিছুসময়ৰ পাছত নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰৰ মুখামুখি হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ইণ্ডিয়াজ টেকেড ঃ চিপছ ফৰ বিকশিত ভাৰত কাৰ্যসূচীত অংশগ্ৰহণ কৰিব আৰু প্ৰায় এক লাখ ২৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ ৩ টা চেমিকনডাক্টৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ দেশৰ যুৱক-যুৱতীকো সম্বোধন কৰিব। আধাৰশিলা স্থাপন কৰিবলগীয়া প্ৰকল্পসমূহৰ ভিতৰত গুজৰাটৰ ধোলেৰা বিশেষ বিনিয়োগ অঞ্চলত চেমিকনডাক্টৰ নিৰ্মাণ সুবিধা, অসম তথা গুজৰাটত বাহিৰৰ পৰা অনা চেমিকনডাক্টৰৰ যন্ত্ৰাংশৰ সংযোজন সুবিধা আছে। এই প্ৰকল্পসমূহৰ জৰিয়তে ভাৰতবৰ্ষক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী অনুসৰি চেমিকনডাক্টৰৰ আৰ্হী প্ৰস্তুত, নিৰ্মাণ আৰু প্ৰযুক্তি উন্নয়নৰ গোলকীয় কেন্দ্ৰৰূপে গঢ়ি তোলা হব। এই গোটসমূহে অৰ্ধপৰিবাহী খণ্ডত হাজাৰ হাজাৰ যুৱক যুৱতীৰ বাবে কৰ্মসংস্থাপন প্ৰদান কৰিব আৰু ইলেকট্ৰনিক্স তথা দূৰসংযোগৰ দৰে ক্ষেত্ৰত কৰ্মস্থাপনৰ সুবিধা সৃষ্টিত সহায় কৰিব। অনুষ্ঠানত চেমিকনডাক্টৰ খণ্ডৰ বিশিষ্ট উদ্যোগপতিৰ লগতে মহাবিদ্যালয়ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু যুৱক যুৱতীয়ে অংশগ্ৰহণ কৰিব।

০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশৰ অৰ্থনৈতিক জাতিয়তাবাদৰ ভাৱনাৰ প্ৰসাৰৰ হ'কে কাম কৰিবলৈ ভাৰতীয় ৰাজহ সেৱাৰ বিষয়াসকলৰ প্ৰতি আহ্বান জনায়। উপৰাষ্ট্ৰপতিগৰাকীয়ে আজি সংসদ ভৱনত ভাৰতীয় ৰাজহ সেৱাৰ ৭৭ সংখ্যক বেটছ্ৰ প্ৰশিক্ষাৰ্থী বিষয়াসকলক সম্বোধন কৰি এইদৰে আহ্বান জনায়। শ্ৰীধনখড়ে কয় যে, ১৪০ কোটি জনসংখ্যাৰে দেশত কৰ সংগ্ৰহৰ সম্ভাৱনা যথেষ্ট যদিও সংগৃহীত কৰৰ পৰিমাণ তেনেই কম। তেওঁ দেশৰ বিকাশ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ বাবে কৰদাতাৰ সংখ্যা বৃদ্ধি কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

০০০০

পথ, পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে অৰুণাচল প্ৰদেশত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণৰ বাবে ৬ হাজাৰ ৬২১ কোটিৰো অধিক টকাত অনুমোদন দিছে। ইয়াৰ অধীনত ২৬৫ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হ'ব। শ্ৰীগাড়কাৰীয়ে সামাজিক মাধ্যমযোগে কৈছে যে,  ঘাইপথ নিৰ্মাণৰ ফলত সীমাৱৰ্তী এলেকাসমূহৰ সৈতে যোগাযোগ সুদৃঢ় হব আৰু অঞ্চলটো আৰ্থসামাজিক উন্নয়ন ত্বৰান্বিত হ'ব। অৰুণাচল প্ৰদেশত সীমান্তৱৰ্তী ঘাইপথ নিৰ্মাণৰ বাবে প্ৰব্ৰজন হ্ৰাস পাব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীগাডকাৰীয়ে লগতে কৰ্ণাটকৰ বেল্লাৰী আৰু অনন্তপুৰৰ মাজত ১৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে ৬২৬ কোটি টকাত অনুমোদন দিছে। মন্ত্ৰীগৰাকীয়ে ওড়িশাৰ চম্বলপুৰ জিলাৰ কেইটামান ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ বাবেও ৩৭৪ কোটিৰো অধিক টকাত অনুমোদন জনাইছে।

০০০০

২০১৪ চনৰ পাছত অসমত প্ৰৱেশ কৰা কোনো ব্যক্তিয়েই নাগৰিকত্ব লাভ নকৰে বুলি  মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি স্পষ্ট কৰি দিছে । শিৱসাগৰত আজি পুৱা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, যিসকল লোকৰ নাম ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অন্তৰ্ভুক্ত কৰা হোৱা নাই, অকল তেওঁলোকেহে নাগৰিকত্ব সংশোধনী আইনৰ ব্যৱস্থা অনুসৰি সুফল লাভ কৰিব। ড০ শৰ্মাই কয় যে, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বাবে আবেদন নকৰা কোনো ব্যক্তিয়ে যদি নাগৰিকত্ব সংশোধনী আইনৰ যোগেদি উপকাৰ লাভ কৰে, তেন্তে তেওঁ মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিব। তেওঁ কয় যে, একাংশ দল-সংগঠনে এই আইনৰ জৰিয়তে লাখ লাখ ব্যক্তিয়ে অসমত নাগৰিকত্ব লাভ কৰিব বুলি প্ৰচাৰ চলাইছিল যদিও কিমানগৰাকী বিদেশীয়ে প্ৰকৃততে নাগৰিকত্বৰ বাবে আবেদন কৰিব সেইকথা এতিয়াহে স্পষ্ট হ'ব।

ইপিনে, নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰাৰ প্ৰতিবাদত কেইবাটাও সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে।  আইনখন বলৱৎ হোৱাৰ প্ৰতিবাদত কংগ্ৰেছ নেতৃত্বাধীন ১৬ টা দলৰ বিৰোধী ঐক্যমঞ্চই ৰাজ্যজোৰা হৰতাল ঘোষণা কৰিছে। সদৌ অসম ছাত্ৰ সন্থাই নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে আজি উচ্চতম ন্যায়ালয়ত এখন আবেদন দাখিল কৰিছে। ছাত্ৰ সংগঠনটোৱে গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰাৰ বিৰুদ্ধে হৰতাল আৰু প্ৰতিবাদ সাব্যস্ত কৰা ৰাজনৈতিক দলসমূহৰ পঞ্জীয়ন বাতিল কৰা হ'ব পাৰে বুলি সকিয়াই দিছে। তেওঁ কয় যে, এনে ধৰণৰ প্ৰতিবাদক যোৱা বছৰ ১৯ মাৰ্চত গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায়ৰ উলংঘন বুলি গণ্য কৰা হ'ব। ৰাজ্যখনত অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে অসম আৰক্ষীয়ে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

ইপিনে, চৰকাৰে ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ভাৰতীয় নাগৰিকত্ব লাভ কৰাৰ বাবে যোগ্য বুলি বিবেচিত ব্যক্তিসকলৰ বাবে এটা নতুন প'ৰ্টেল মুকলি কৰিছে। আবেদন কৰিব বিচৰা ব্যক্তিসকলে indiancitizenshiponline.nic.in-ত লগ ইন কৰিব পাৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে মোবাইল এপৰ জৰিয়তে আবেদনৰ ব্যৱস্থা কৰাৰ বাবে চি এ এ টু থাউজেণ্ড নাইণ্টিন নামৰ এটা এপ মুকলি কৰিব। কালি ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আইনৰ অধীনত নাগৰিকত্ব সংশোধন নিয়মাৱলীৰ অধিসূচনা জাৰি কৰা হৈছে। নাগৰিকত্ব সংশোধনী আইন অনুসৰি, আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানৰ সংখ্যালঘূ হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকসকল ভাৰতীয় নাগৰিকত্বৰ বাবে যোগ্য বুলি বিবেচিত হ'ব। নাগৰিকত্ব সংশোধনী আইনে ২০১৯ চনৰ ১২ ডিচেম্বৰত ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰিছিল।

এই আইনৰ অধীনত নাগৰিকত্ব লাভ কৰাৰ ফলত উল্লেখিত দেশসমূহত আতিশয্যৰ সন্মুখীন হোৱা শৰণাৰ্থীসকলে মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰাৰ লগতে তেওঁলোকৰ অৰ্থনৈতিক সুৰক্ষা নিশ্চিত হ'ব। ইয়াৰ উপৰি তেওঁলোকৰ সাংস্কৃতিক, ভাষিক আৰু সামাজিক পৰিচয়ক মৰ্যাদা দিয়া হ'ব বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে। আনহাতে, নাগৰিকত্ব সংশোধনী আইন মুছলমান বিৰোধী বুলি একাংশ লোকে বিভ্ৰান্তিকৰ কথা প্ৰচাৰ কৰি আহিছে বুলিও স্পষ্ট কৰি দিয়া হৈছে। এই আইন কোনো ধৰ্ম বা সম্প্ৰদায়ৰ বিৰোধী নহয় আৰু ই ইছলাম ধৰ্মাৱলম্বীকে ধৰি কোনো ভাৰতীয় নাগৰিকৰ নাগৰিকত্বৰ অধিকাৰ খৰ্ব নকৰে বুলিও স্পষ্ট কৰি দিয়া হৈছে।

০০০০

কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে আজি চণ্ডিগড়ত খেলো ইণ্ডিয়া টেলেণ্ট আইদেনটিফিকেশ্বন কীৰ্তি আঁচনিৰ শুভাৰম্ভ কৰে। কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডিগড়ৰ প্ৰশাসকৰ উপদেষ্টা ৰাজীৱ বাৰ্মা অনুষ্ঠানত উপস্থিত থাকে। দেশৰ চুকে কোণে লুকাই থকা সুপ্ত প্ৰতিভাসমূহৰ অন্বেষণত গুৰুত্ব প্ৰদানৰ প্ৰধানমন্ত্ৰী মোদীৰ পৰিকল্পনা বাস্তৱায়িত কৰাই এই আঁচনিৰ মূল উদ্দেশ্য। এই আঁচনিৰ অধীনত তৃণমূল পৰ্যায়ত বিভিন্ন প্ৰতিযোগিতাৰ বাবে প্ৰতিভাৱান যুৱক-যুৱতীক চিনাক্ত কৰা হ'ব আৰু তেওঁলোকলৈ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হ'ব। এই উপলক্ষে ক্ৰীড়ামন্ত্ৰী ঠাকুৰে কয় যে, প্ৰতিভাৰ অন্বেষণ আৰু প্ৰদৰ্শনৰ মূল্যায়নৰ বাবে এটা একীকৃত সজুলি উপলভ্য কৰোৱাৰ বাবে ভাৰত বেঞ্চমাৰ্গ অৰ্থাৎ উপমান স্থিৰ কৰা হ'ব।

০০০০

হাৰিয়ানা বিজেপিৰ সভাপতি নায়ৰ সিঙে নতুন মুখ্যমন্ত্ৰী হিচাপ শপত গ্ৰহণ কৰিছে। ৰাজ্যপাল বন্দাৰু দত্তাত্ৰেয়াই আজি বিয়লি শ্ৰীচইনীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মনোহৰ লাল আৰু কেবিনেটৰ সতীৰ্থসকলে পদ ত্যাগ কৰাৰ কেইঘণ্টামান পাছতে নতুন মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। দুপৰীয়াৰ ভাগত অনুষ্ঠিত বৈঠকত কুৰুক্ষেত্ৰৰ সাংসদ নায়ৰ সিঙক বিজেপিৰ বিধায়িনী গোটৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে বাচনি কৰা হয়। ইয়াৰ পাছতে শ্ৰীচইনীয়ে ৰাজভৱনলৈ যায় আৰু চৰকাৰ গঠনৰ বাবে আনুষ্ঠানিকভাৱে দাবী জনায়।

০০০০

ভাৰতীয় বায়ু সেনাৰ এখন তেজছ বিমান আজি প্ৰশিক্ষণমূল উৰণৰ সময়ত জয়ছলমেৰত দুৰ্ঘটনাত পতিত হয়। বায়ু সেনাই কৈছে যে, বিমানখনত পাইলটগৰাকী দুৰ্ঘটনাৰ পাছত বিমানৰ পৰা নিৰাপদে ওলাই আহে। দুৰ্ঘটনাৰ কাৰণৰ অন্বেষণ কৰাৰ বাবে ন্যায়িক তদন্ত কমিটি গঠন কৰা হৈছে।

০০০০

কংগ্ৰেছে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে অসমৰ ১২ গৰাকী প্ৰাৰ্থীসহ মুঠ ৪৩ গৰাকী প্ৰাৰ্থীৰ দ্বিতীয়খন তালিকা প্ৰকাশ কৰিছে। অসমৰ ১২ খন আসনৰ ভিতৰত নগাঁৱত প্ৰদ্যুৎ বৰদলৈ, শিলচৰত সূৰ্যকান্ত সৰকাৰ, কৰিমগঞ্জত হাফিছ ৰচিদ আহমেদ চৌধুৰী, বৰপেটাত দ্বীপ বায়ন, গুৱাহাটীত মীৰা বৰঠাকুৰ, ধুবুৰীত ৰকিবুল হুছেইন, যোৰহাটত গৌৰৱ গগৈ, শোণিতপুৰত প্ৰেমলাল গুঞ্জু, দৰং-ওদালগুৰিত মাধৱ ৰাজবংশী, ডিফুত জয়ৰাম ইংলেং, কোকৰাঝাৰত গৰ্জন মুছাহাৰি আৰু কাজিৰঙাত ৰোজলীনা তিৰ্কিক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে বৰপেটাৰ সাংসদ আব্দুল খালেকক এইবাৰ প্ৰাৰ্থীত্ব প্ৰদান কৰা নহ'ল। আনহাতে পূৰ্বৰ কলিয়াবৰ সমষ্টিৰ সাংসদ গৌৰৱ গগৈক যোৰহাটৰ প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে।

০০০০

মুম্বাই ইণ্ডিয়ানছ কিছুসময়ৰ পাছত নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰৰ মুখামুখি হ'ব। ইপিনে একেখন ষ্টেডিয়ামতে কালি অনুষ্ঠিত এখন খেলত গুজৰাট জায়েণ্টছে ইউ পি ৱাৰিয়ৰ্ছক ৮ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৫২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইউ পি ৱাৰিয়ৰ্ছে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৪৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০

অলিম্পিকৰ পদক বিজেতা বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধুৱে অল ইংলেণ্ড বেডমিণ্টন ছেম্পিয়নশ্বিপৰ মহিলাৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। সিন্ধুৱে আজি প্ৰথম ৰাউণ্ডত ৱাকঅভাৰ লাভ কৰে। সিন্ধুৰ প্ৰতিদ্বন্দি জাৰ্মানীৰ হুনে লিয়াফতৰে প্ৰথম ৰাউণ্ডৰ অন্তত শাৰিৰীক অসুস্থতাৰ বাবে খেলৰ পৰা নাম প্ৰত্যাহাৰ কৰে। সিন্ধুই প্ৰথম গেমত ২১-১০ ফলাফলেৰে জয়লাভ কৰে। প্ৰাক্তন বিশ্ব চেম্পিয়ন সিন্ধু দ্বিতীয় ৰাউণ্ডত কোৰিয়াৰ ৱান চে য়াঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা- প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

০০০০

সমাপ্ত